# এটা পৰিয়ালৰ কাহিনী

জীৱন নৰহ

কেইটামান কবিতা ৰ'দত শুকিবলৈ থৈছে
মানুহবোৰে কথাটো ধৰিব পৰা নাই

আচম্বিতে চেমনীয়া এজনে কবিতাবোৰৰ ৰং দেখি
মাক-বাপেকক ৰ'দবোৰলৈ আঙুলিয়াই দেখুৱাইছে।

মাক-বাপেক হলে ক'তো কবিতাৰ ফুল অথবা ৰং নেদেখিলে,
অনৰ্থক কথাবোৰত লাগি থকা খুলি পুতেকক টানকৈ ধমক দিছে

ধমক খায়ো তাৰ মনটো জঁয়পৰি গৈছিল নগ'ল, বৰং
সি ঘুৰি ঘুৰি ফুলি থকা কবিতাবোৰলৈ চালে

মাক-বাপেকে আকৌ তততালিকে তাক চম্ভালিবলৈ চেষ্টা কৰিছে
সি শুনা নাই, ফুল-পখিলা চৰাই চিৰিকটি গছ-গছনি চাই চাই
মাক-বাপেকৰ পৰা তাৰ মনটো এফলীয়া হৈছে

মানুহহালে ভাবিলে— মনৰ কোঁহ পুৱাই নহওঁতেই
সি মৰীচিকা যেন সোণালী সময়লাত কৰিছে,
এনে ল'ৰাই মাক-বাপেকৰ আগলৈ চাবনে

ল'ৰাটোক লৈ মানুহহালৰ চিন্তা বাঢ়িল
ল'ৰাৰ চিন্তা বাঢ়িল উৰি ফুৰা কবিতাবোৰক লৈ

যেতিয়া তাৰ মনটোৰ টনা-আঁজোৰা আৰম্ভ হ'ল
মাজে মাজে তাৰ মনটো সৌধময় হ'ল
মাজে মাজে তাৰ মনটো দিন-ৰাতিৰ দৰে দুফাল হ'ল

আঁতৰত কলৰব কৰি ঘুৰি-ফুৰা মানুহ এজাকে
হাঁহিৰ ৰোল তুলি নৈখনত ঢৌ তুলিলে
ক্ষণিকতে তাৰ মুখৰ পৰাও হাঁহি এপাটি ওলাই আহি নৈখনত ঢৌ তুলিলে
ল'ৰা পাগল হ'ল।
ল'ৰা পাগল হ'ল!!
'তোৰ বয়সৰ ল'ৰাই—' কথাষাৰ বাপেকৰ মুখৰ পৰা শেষ হ'বলৈ নৌপাওঁতেই
কঁপনি তুলি গাড়ী এখন সিহঁতৰ কাষেদি পাৰ হৈ গ'ল

মানুহহালৰ মনত আনন্দ অলপ ঠেকা খালে আৰু
মাকে উচ্চস্বৰে ক'লে— সৌ গাড়ীখনলৈ চা কি ধুনীয়া বৰণ
ৰ'দত জিলিকি উঠিছে নহয়নে বাচা।

মাকৰ কথাত কাণ নিদি
সি মনৰ ভিতৰত ৰ'দ অলপ মেৰিয়াই মনে মনে গৈ থাকিল

অবুজ পুত্ৰ মোৰ!
— মানুহহালে চিঞৰি উঠিল

বতাহ এজাটিয়ে তাৰ কাণৰ পৰা চিঞৰখিনি নিলগাই
জিএৰৰ মাত অলপ নুৰিয়াই দিলে

অবুজ পুত্ৰ মোৰ!
গাড়ীখনলৈ চা, তোৰ সমনীয়াই গাড়ী চলাই মাক-বাপেকক ফুৰাইছে।

সি মাক-বাপেকৰ মুখলৈ চাটকৈ চালে, আৰু
চকুহাল নমাই থ'লে

বুইছা, বন্ধুবাই এনেই কোৱা নাছিল—
'আজিকালি ল'ৰা-ছোৱালী তুলি একো লাভ নাই'

এৰাহে! বন্ধুবাই ঠিক কথাই কৈছিল। ■